
# কেনেকৈ দুষ্টতা আৰু সকলো বেয়া বিষয়বোৰ পৃথিৱীত প্ৰৱেশ কৰিলে

**প্ৰাৰ্থনা ঃ** “প্ৰিয় প্ৰভু, আদমৰ পাপৰ দৰে, সিবিলাকৰ পাপেও যে আপোনাৰ পৰা তেওঁবিলাকক পৃথক কৰে আৰু আপোনাৰ লগত অনন্তকাল থাকিবৰ নিমিত্তে আপোনাৰ ক্ষমাৰ প্ৰয়োজন আছে বুলি ল’ৰা-ছোৱালীবিলাকক সতৰ্ক কৰিবলৈ এই অধ্যয়ন অনুগ্ৰহ কৰি ব্যৱহাৰ কৰক।”



কোনো এগৰাকী ডাঙৰ ল’ৰা-ছোৱালী অথবা শিক্ষকক আদম আৰু হৱাৰ অবাধ্যতাৰ বিষয়ে আদিপুস্তক ৩ অধ্যায়ৰ পৰা ক’বলৈ অথবা পঢ়িবলৈ দিয়ক। চয়তানে কিদৰে সাপৰ ৰূপলৈ আদম আৰু হৱাক ঈশ্বৰৰ অবাধ্য হ’বলৈ প্ৰলোভন দেখুৱাইছিল, সেই কথা ইয়াতে কোৱা হৈছে। ঈশ্বৰ পবিত্ৰ হোৱা হেতুকে, তেওঁ সিহঁতক তেওঁৰ সন্মুখৰ পৰা আঁতৰাই পঠিয়াইছিল, আৰু সিহঁতক মৰিবলৈ দিছিল।



**কাহিনীটো কোৱা পিছত, তলত দিয়া প্ৰশ্নবোৰ সোধক।**

*(প্ৰতেক প্ৰশ্নৰ পিছতে উত্তৰ দিয়া আছে।)*

- তেওঁ সেই ফল খাব নালাগে বুলি ঈশ্বৰে ইচ্ছা কৰা নাছিল বুলি হৱাই কেনেকৈ জানিছিল? *(৩ পদ চাওঁক)*
- চয়তানে কি মিছা কথা কৈছিল যেন হৱাই সেই ফল খাবলৈ ইচ্ছা কৰিব? *(৪-৫ পদ)*
- কিয় আদমে সেই ফল খালে? *(৬ পদ)*
- তেওঁলোকৰ অবাধ্যতাৰ কাৰণে আদম আৰু হৱাই কাক দোষাৰূপ কৰিলে? *(১২-১৩ পদ)*
- ঈশ্বৰে চয়তানক কি ক’লে যে এগৰাকী তিৰোতাৰ সন্তানে তালৈ কি কৰিব? *(১৫ পদ)*
- হৱাৰ শাস্তি কি হ’ব বুলি ঈশ্বৰে কৈছিল? *(১৬ পদ)*
- আদমৰ শাস্তি কি হ’ব বুলি ঈশ্বৰে কৈছিল? *(১৭ পদ)*
- এদনবাৰীত ঈশ্বৰৰ সন্মুখৰ পৰা তেওঁলোকে কিয় আতঁৰি যাব লগা হৈছিল? *(২২-২৪ পদ)*

আদিপুস্তক ৩ অধ্যায়ৰ পৰা, মানুহৰ আদি পাপৰ কাহিনীৰ কিছু অংশ নাট কৰক।

- বয়সীয়া সকলৰ নিমিত্তে এই নাট পৰিবেশন কৰিবলৈ প্ৰধান উপাসনা চলাওঁতাৰ লগত ব্যৱস্থা কৰক। গোটেই অংশবোৰ নকৰিলেও হ’ব।
- নাট প্ৰস্তুত কৰোঁতে আপোনাৰ সময়ৰ কিছু অংশ ব্যৱহাৰ কৰক।
- নাট প্ৰস্তুত কৰোঁতে ডাঙৰ ল’ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।
- ডাঙৰ ল’ৰা-ছোৱালী অথবা বয়সীয়াসকলক, **বৰ্ণনাকাৰী, আদম** আৰু **হৱাৰ** (কিছুমান ডাঙৰ ডাঙৰ পাত হাত ধৰিব), **ঈশ্বৰৰ মাত** আৰু **সাপৰ** ভাও ল’বলৈ দিয়ক (ফলমূল বুজাবলৈ কিছুমান বস্তু হাতত ৰাখিব।)
- **সৰু, ল’ৰা-ছোৱালীক জন্তু** আৰু **স্বৰ্গদূতৰ** ভাও দিয়ক (হাতত এখন ‘তৰোৱাল’ ৰাখিব)।

**বৰ্ণনাকাৰী ঃ** আদিপুস্তক ৩ঃ১-৬ পদৰ পৰা কাহিনীৰ প্ৰথম ভাগ কওক। “আদমে স্বৰ্গত জন্তুবিলাকৰ নাম দিলে। চোৱাহঁক, জন্তুবোৰে কিদৰে খোজ কাঢ়ে।”

**জন্তুবিলাক ঃ** একে সময়তে এজন বা অধিক ল’ৰা-ছোৱালীয়ে ইফাল-সিফাল কৰে। জন্তুৰ মাতবোৰৰ শব্দ কৰক।

**আদম ঃ** প্ৰত্যেক জন্তুলৈ আঙুলিয়ায় আৰু কোনো এজনক সোধে “এইটোক বাৰু মই কি নাম দিয়া উচিত?” (ব্যক্তিজনক উত্তৰ দিবলৈ কওক।)

**বৰ্ণনাকাৰী ঃ** “চয়তানে সৰ্পৰ বেশ লৈছে। সি কি কৈছিল শুনা।”

**সৰ্প ঃ** ডাঙৰকৈ হিচ কৰে। আৰু কয়, “হৱা! শুনাচোন!” (শব্দ কৰে আৰু হৱালৈ ফলটো ডাঙি ধৰে।) “এই বাৰীৰ

যিকোনো ফল নাখাবলৈ ঈশ্বৰে কৈছেনে?"

**হৰা ঃ** "অহ! ইমান ধুনীয়া সাপ!" (ফলটোলৈ আঙুলিয়ায়) "নহয়, ঈশ্বৰে কৈছে, বাৰীৰ মাজত থকা গছজোপাৰ ফলৰ বাহিৰে আটাইবোৰ গছৰ ফল খাব পাৰোঁ। যদিহে আমি খাওঁ, আমি মৰিম।

**সৰ্প ঃ** ডাঙৰকৈ হিচ্ কৰে। আৰু কয়, "নহয় হৰা, তোমালোক নমৰা। তোমালোক ঈশ্বৰৰ নিচিনা জ্ঞানী হ'বা। পাপনো কি, তাক তোমালোকে জানিবা!" (দুষ্ট হাঁহি মাৰে।)

**হৰা ঃ** "ফলটো দেখাত তৃপ্তিজনক। মোৰ খাবলৈ ইচ্ছা গৈছে। পাপনো কেনে মই জানিব খোজোঁ। ঈশ্বৰে কি কয় মই ভয় নকৰোঁ। মই তেওঁৰ অবাধ্য হৈ যি মন যায় তাকে খাম!"

**হৰা ঃ** ফল হাতত লোৱা যেন দেখুৱায়, তাৰে কিছু খায় আৰু বাকীখিনি আদমক দিয়ে। কয়, "আদম! এই ৰুচিকৰ ফল মোৰ লগত খোৱাহি।"

**আদম ঃ** "হৰা, ঈশ্বৰে এই ফল নাখাবলৈ কৈছে। কিন্তু তুমি যদি ইচ্ছা কৰা, তেন্তে ময়ো অবাধ্য হম। মন্দতানো কি ময়ো জানিবলৈ ইচ্ছা কৰোঁ।"

**সৰ্প ঃ** হাঁহে আৰু হিচ্হিচায় কয়, "তোমালোকে ঈশ্বৰৰ অবাধ্য হ'বলৈ বাচি ল'লা। এতিয়া তেওঁ তোমালোকক চিৰকালৰ বাবে তেওঁৰ পৰা আঁতৰাই পঠিয়াব! (হিচ কৰে আৰু হাঁহে)

**বৰ্ণনাকাৰী ঃ** আদিপুস্তক ৩ঃ৭-১৩ পদৰ পৰা কাহিনীৰ দ্বিতীয় ভাগ কওঁক। আৰু কয়, "আদমে কি কয় শুনা।"

**আদম ঃ** "হৰা! আমি কি কৰিলোঁ? আমি ঈশ্বৰৰ অবাধ্য হ'লো! এতিয়া মই নিজক বিবস্ত্ৰ বুলি জানিলোঁ।"

**হৰা ঃ** "ইয়াত কিছুমান ডাঙৰ ডিমৰু পাত আছে। মই সেইবোৰ পাত সিয়াই আমালৈ বস্ত্ৰ তৈয়াৰ কৰিম।"

**ঈশ্বৰৰ মাত ঃ** চিঞৰে, "আদম! আদম! তুমি ক'ত আছা? তোমালোকে উপভোগ কৰিবলৈ মই সৃষ্টি কৰা বাৰীত তোমালোকৰ লগত অহা-যোৱা কৰিবলৈ আহিলোঁ!"

**আদম ঃ** "মোৰ বিবস্ত্ৰতাৰ কাৰণে মই ভয় কৰি লুকাই আছোঁ।"

**ঈশ্বৰৰ মাত ঃ** "তুমি যে বিবস্ত্ৰ তাক তোমাক কোনে ক'লে? মই তোমাক নিষেধ কৰা ফল তুমি খালা নেকি?"

**আদম ঃ** হৰাই মোক সেই গছৰ ফল দিলত, মই তাক খালোঁ।"

**হৰা ঃ** "সৰ্পই মোক ভুলালতহে মই খালোঁ। সেই ফল আমালৈ ভাল হ'ব বুলি সি আমাক ক'লে।"

**বৰ্ণনাকাৰী ঃ** আদিপুস্তক ৩ঃ১৪-২৪ পদৰ পৰা কাহিনীৰ তৃতীয় ভাগ কওক। আৰু কয়, "ঈশ্বৰ যিহোৱাই আদম আৰু হৰালৈ জন্তুৰ ছালৰ বস্ত্ৰ কৰি সিবিলাকক পিন্ধালে। ঈশ্বৰে কি কৈছে শুনা।"

**ঈশ্বৰৰ মাত ঃ** "সৰ্প তই পেটেৰে গতি কৰিবি; হৰাই এক বংশই তোৰ মূৰ গুৰি কৰিব। হৰা, তুমি মোৰ অবাধ্য হ'লা। তুমি কষ্টেৰে সন্তান প্ৰসৱ কৰিবা। আদম, আহাৰৰ নিমিত্তে তুমি কঠোৰ পৰিশ্ৰম কৰিবা। যোৱা। তুমি আৰু এই বাৰীত থাকিব নোৱাৰা।

**স্বৰ্গদূত ঃ** আদমৰ ফালে তৰোৱাল জোকাৰি কয়, "তুমি ঈশ্বৰৰ অবাধ্য হ'লা। তুমি অনন্তকালৰ কালৰ বাবে থাকিব পৰা ঠাইত অৰ্থাৎ ঈশ্বৰৰ সন্মুখত আৰু থাকিব নোৱাৰা।"

**বৰ্ণনাকাৰী ঃ** নাটকখনত সহায় কৰা আৰু শুনাৰ বাবে বয়সীয়া সকলক ধন্যবাদ দিয়ে।

**প্ৰশ্নবোৰ ঃ** নাটকখন ল'ৰা-ছোৱালীয়ে যদি বয়সীয়া সকলৰ নিমিত্তে কৰিছে তেন্তে ওপৰৰ তালিকাত দিয়া প্ৰশ্নবোৰ তেওঁলোককো সুধিবলৈ দিয়ক।

**বিৰৰণ ঃ** এটা ল'ৰা পিঠিত ৰচিৰে বন্ধা এখন বস্তা। সি বিভিন্ন লোকবিলাকৰ ওচৰলৈ যায় আৰু সোধে, "মই পাপৰ বোজাৰ পৰা কেনেকৈ ৰক্ষা পাম?" (তেওঁলোকক উত্তৰ দিবলৈ কওক।) আন এটি ল'ৰাই হাতত থকা ছুৰী কটাৰী খনেৰে বৰ্ণনা কৰে, "ঈশ্বৰৰ এই তৰোৱালখন হৈছে তেওঁৰ বাক্য। ই কয় যে, যীচুৰ তেজে আমাৰ পাপবোৰ ধুই নিয়ে।" (ৰচিডাল কাটক বা খুলি দিয়ক আৰু বস্তাখন পৰিবলৈ দিয়ক।)



ল’ৰা-ছোৱালীক **এডাল সাপ** অথবা এটা ফলৰ ছবি আঁকিবলৈ দিয়ক। আৰু এই ছবিবোৰ পিছৰ উপাসনাত বয়সীয়া সকলক দেখুৱাওক আৰু বৰ্ণনা কৰক যে এই কথাই বৰ্ণনা কৰিছে কেনেকৈ চয়তানে আমাক প্ৰলোভিত কৰে।

ৰোমীয়া ৩ঃ২৩ পদ সৰু ল’ৰা-ছোৱালীক আৰু ৰোমীয়া ৫ঃ১২ পদ ডাঙৰবোৰক **মুখস্থ কৰিবলৈ** কওক।

**আলোচনা ঃ** ল’ৰা-ছোৱালীক সোধক, “আমি ঈশ্বৰৰ অবাধ্য হ’বলৈ মানুহে কি প্ৰকাৰে ভাল পায়?”

**কৰিতা ঃ** গীতমালা ৫৩ঃ১-৩ পদ তিনিটা তিনি গৰাকী ল’ৰা-ছোৱালীক আওঁৰাবলৈ দিয়ক।

**প্ৰাৰ্থনা ঃ** “প্ৰিয় প্ৰভু, আমি অনেক বাৰ আপোনাৰ অবাধ্য হৈছোঁ। আমি চয়তানৰ দাস হৈছোঁ। হৱাৰ এক বংশধৰ, যীচুক শত্ৰুৰ মূৰ গুৰি কৰি আমাক মুক্ত কৰিবলৈ যীচুক পঠোৱাৰ কাৰণে আপোনাক ধন্যবাদ।”

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net